কাউণ্টাৰ টেৰৰিজম এণ্ড ট্রেন্সনেচনেল ক্রাইম (জেৰ্ব্লিউজি-চিটিটিচি) সম্পৰ্কীয় বিমষ্টেক যুটীয়া কাৰ্যকৰী গোটৰ একাদশতম বৈঠক

সন্ত্রাসবাদ আৰু আন্তঃৰাষ্ট্রীয় অপৰাধ প্রতিৰোধ অর্থাৎ চিটিটিচি সম্পৰ্কীয় বিমষ্টেক যুটীয়া কাৰ্যকৰী গোটৰ একাদশতম বৈঠক ভাৰত চৰকাৰৰ উদ্যোগত 2026 বর্ষৰ 28-29 ছেপ্টেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হয়। বাংলাদেশ, ভূটান, ভাৰত, ম্যানমাৰ, নেপাল, শ্রীলংকা আৰু থাইলেণ্ড—এই আটাইবোৰ বিমষ্টেক সদস্য ৰাষ্ট্রৰ প্রতিনিধি দলে বৈঠকখনত অংশগ্রহণ কৰে।

2. ভাৰতৰ বৈদেশিক পৰিক্রমা মন্ত্রালয়ৰ অতিৰিক্ত সচিব (সন্ত্রাসবাদ প্রতিৰোধ) ড° ছুহেল এজাজ খানে বৈঠকখনত সভাপতিত্ব কৰে।

3. বৈঠকখনত বিমষ্টেক অঞ্চলৰ পাৰম্পৰিক আৰু নতুনকৈ দেখা দিয়া অপাৰম্পৰিক নিৰাপত্তা ভাবুকিসমূহৰ বিষয়ে আলোচনা কৰা হয়। বিমষ্টেক অঞ্চলত সন্ত্রাসবাদ আৰু আন্তঃৰাষ্ট্রীয় অপৰাধ প্রতিৰোধৰ ক্ষেত্রত সহযোগিতা আৰু সমন্বয় বৃদ্ধিৰ উদ্দেশ্যে অংশগ্রহণকাৰীসকলে বিস্তৃত বিষয়সমূহৰ ওপৰত আলোচনা চলায় আৰু কেবাটাও পৰামর্শ আগবঢ়ায়। বৈঠকখনত বিমষ্টেক চিটিটিচিৰ অন্তর্গত বিভিন্ন উপ-গোটসমূহৰ প্রতিবেদনৰ ওপৰতো আলোচনা কৰা হয়; যেনে— i) মানৱ সৰবৰাহ সংক্রান্তীয় উপ-গোট; ii) নিচাযুক্ত দ্রব্য, চাইক'ট্রপিক পদার্থ আৰু প্রিক'চৰ ৰাসায়নিক সামগ্রীৰ অবৈধ সৰবৰাহ প্রতিৰোধ সংক্রান্তীয় উপ-গোট; iii) ক'লা ধন বগা কৰা প্রতিৰোধ আৰু সন্ত্রাসবাদত বিত্তীয় যোগান প্রতিহত কৰা সংক্রান্তীয় উপ-গোট; iv) আইনী আৰু আইন কার্যকৰী কৰা বিষয় সংক্রান্তীয় উপ-গোট; আৰু v) উগ্রপন্থী তথা সন্ত্রাসবাদ প্রতিহত কৰাৰ ক্ষেত্রত সহযোগিতা সংক্রান্তীয় উপ-গোট।

নতুন দিল্লী

ছেপ্তেম্বৰ 29, 2026